তুলিকা গোস্বামী
সহযোগী অধ্যাপিকা, অসমীয়া বিভাগ

2005

প্ৰশ্ন: ব্যাকৰণ আৰু ভাষা-বিজ্ঞানৰ সংজ্ঞা নিৰ্ণয় কৰি দুয়োটাৰ পাৰ্থক্য নিৰ্ধাৰণ কৰা। অসমীয়া ভাষাৰ ব্যাকৰণৰ প্ৰণেতাসকলে কি আৰ্হি অনুসৰণ কৰি ব্যাকৰণবোৰ ৰচনা কৰিছিল? হেমচন্দ্ৰ বৰুৱাক প্ৰকৃতাৰ্থত অসমীয়া ব্যাকৰণৰ জনক কিয় বোলা হয় আলোচনা কৰা।

উত্তৰ: ভাষা বিশেষৰ গঠন পদ্ধতি ব্যাকৰণত প্ৰকাশিত হয়। অৰ্থাৎ কোনো এটা ভাষাৰ গঠন পদ্ধতিৰ বিজ্ঞান সন্মত আৰু যথাসম্ভৱ বিতং বিশ্লেষণেই সেই ভাষাৰ ব্যাকৰণ। প্ৰকাৰান্তৰে ক'বলৈ গ'লে ভাষাৰ গঠনৰ শৃংখলাবদ্ধ আলোচনাকে ব্যাকৰণ বোলা হয়।

ভাষা বিজ্ঞান হ'ল ভাষাৰ প্ৰণালীবদ্ধ অধ্যয়ন। মানৱ সমাজত প্ৰচলিত যিকোনো আৰু সকলো ভাষাকে ই অধ্যয়ন কৰে। ভাষা বিজ্ঞানে কোনো এটা ভাষাৰ ভিতৰুৱা গঠন প্ৰণালী বুজাত সহায় কৰে।

31

ব্যাকৰণৰ লগত ভাষাবিজ্ঞানৰ মৌলিক পাৰ্থক্য আছে। ব্যাকৰণে লিখিত ভাষাৰ ওপৰত গুৰুত্ব আৰোপ কৰে আৰু লিখিত ভাষাকেই ভাষাৰ শুদ্ধ ৰূপ বুলি বিবেচনা কৰে। ভাষা বিজ্ঞানীৰ কাম হ'ল ভাষা এটাৰ যথাযথ বৰ্ণনা দিয়া। মানুহে কেনেদৰে কোৱা বা লিখা উচিত সেই বিষয়ে বিধান দিয়াটো নহয়। কেনেবাকৈ প্ৰচলিত ৰূপৰ বিপৰীতে কথ্য ৰূপ লিখাত সোমালে বৈয়াকৰণসকলে ভাষাৰ বিশুদ্ধতা আৰু পবিত্ৰতাৰ নামত শংকিত হৈ পৰে। বৈয়াকৰণসকল সদায় সংৰক্ষণশীল। ভাষাক নিয়মৰ শৃংখলেৰে তেওঁলোকে শৃংখলিত কৰি ৰাখিব খোজে। আনহাতে ভাষাবৈজ্ঞানিকে এটা ভাষাক তাৰ স্বাভাৱিক কথ্য ৰূপত বৰ্ণনা কৰাত আগ্ৰহী

| | | | | | | |
|---|---|---|---|---|---|---|
| | 1 | 2 | 3 | 4 | 5 | 6 |
| 7 | 8 | 9 | 10 | 11 | 12 | 13 |
| 14 | 15 | 16 | 17 | 18 | 19 | 20 |
| 21 | 22 | 23 | 24 | 25 | 26 | 27 |
| 28 | 29 | 30 | 31 | | | |